**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 23-03-2024
**Time :** 1340 Hrs.

***Assamese Midday Bulletin***

## Headlines

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ভূটানৰ প্ৰধানমন্ত্ৰী টৱগে আজি পুৰা ভাৰত চৰকাৰৰ দ্বাৰা নিৰ্মিত থিম্ফুৰ গিয়ালচুৱেন জেটচুন পেমা মাদাৰ এণ্ড চাইল্ড অত্যাধুনিক চিকিৎসালয়খন উদ্বোধন কৰে।

২। কেন্দ্ৰীয় তদন্তকাৰী সংস্থা চিবিআয়ে তৃণমূল কংগ্ৰেছ দলৰ নেত্ৰী মহুৱা মৈত্ৰৰ নগদ ধনৰ বিনিময়ত প্ৰশ্ন সোধাৰ সৈতে জড়িত গোচৰত কলকাতাকে ধৰি বিভিন্ন স্থান তালাচী চলাই আছে।

৩। কেন্দ্ৰীয় মাধ্যমিক শিক্ষা বোৰ্ড চি বি এছ ইয়ে সমগ্ৰ দেশৰ চি বি এছ ই বিদ্যালয়সমূহত কৰা আকস্মিক পৰিদৰ্শনৰ পাছত নকল ছাত্ৰ-ছাত্ৰী উপস্থাপন, অযোগ্য প্ৰাৰ্থী ৰখা আদিৰ ভিত্তিত হোৱা তদন্তৰ অন্তত সমগ্ৰ দেশৰ ২০ খন বিদ্যালয়ক অসংলগ্ন কৰিছে আৰু তিনিখন বিদ্যালয়ৰ গ্ৰেড নিম্নগামী কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে।

*আৰু*

৪। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ মোহালিত হ'বলগীয়া প্ৰথমখন খেলত পাঞ্জাব কিংছ দেলহি কেপিটেলছৰ মুখামুখি হোৱাৰ বিপৰীতে কলকাতাত অনুষ্ঠিত হ'বলগীয়া দ্বিতীয়খন খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদ কলকাতা নাইট ৰাইদাৰ্ছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ভূটানৰ প্ৰধানমন্ত্ৰী টৱগে আজি পুৰা ভাৰত চৰকাৰৰ দ্বাৰা নিৰ্মিত থিম্ফুৰ গিয়ালচুৱেন জেটচুন পেমা মাদাৰ এণ্ড চাইল্ড অত্যাধুনিক চিকিৎসালয়খন উদ্বোধন কৰে। ১৫০ খন বিচনাযুক্ত চিকিৎসালয়খন উন্নয়নৰ বাবে ভাৰতে দুটা পৰ্যায়ত সহোগিতা আগবঢ়াইছে। প্ৰথম পৰ্যায়ত ২২ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা চিকিৎসালয়খন ২০১৯ চনৰ পৰা কাৰ্যক্ষম হৈ আছে। দশম পঞ্চবাৰ্ষিক পৰিকল্পনাৰ অংশ হিচাপে ২০১৯ চনত ১১৯ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কাৰ্য আৰম্ভ কৰা দ্বিতীয় পৰ্যায়ৰ কাম বৰ্তমান সম্পূৰ্ণ হৈছে। এই চিকিৎসালয়খনৰ নিৰ্মাণে ভূটানৰ স্বাস্থ্য সেৱাৰ ক্ষেত্ৰত এক নতুন দিগন্তৰ সূচনা কৰিছে। বৰ্তমান চিকিৎসালয়খনত শিশু, স্ত্ৰী ৰোগ আৰু প্ৰসূতি বিজ্ঞান, অস্ত্ৰোপচাৰ কক্ষ, নৱজাতক আৰু শিশুৰ যতনৰ বাবে আধুনিক সুবিধা উপলব্ধ হ'ব। বিদেশ মন্ত্ৰালয়ে কয় যে, এই চিকিৎসালয়খনে ভাৰত আৰু ভূটানৰ স্বাস্থ্য সেৱাৰ ক্ষেত্ৰত অংশীদাৰিত্বৰ এটা উদাহৰণ হিচাপে থিয় দিব। উদ্বোধনী অনুষ্ঠানৰ পাছতে শ্ৰী মোদী নতুন দিল্লীলৈ ৰাওনা হয়।

০০০০০০০

সমাগত লোকসভা নিৰ্বাচনত কেইবাখনো আসনত প্ৰাৰ্থী চূড়ান্ত কৰিবলৈ ভাৰতীয় জনতাপাৰ্টীৰ কেন্দ্ৰীয় নিৰ্বাচন সমিতিৰ এখন বৈঠক নতুন দিল্লীত থকা দলৰ কাৰ্যালয়ত অনুষ্ঠিত হ'ব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডা, গৃহমন্ত্ৰী অমিত শ্বাহকে প্ৰমুখ্য কৰি সমিতিৰ সদস্যসকল আৰু ৰাজ্যসমূহৰ বিষয়ববীয়াসকলে এই বৈঠকত অংশগ্ৰহণ কৰিব।

০০০০০০

কেন্দ্ৰীয় তদন্তকাৰী সংস্থা চিবিআইয়ে তৃনমূল কংগ্ৰেছ দলৰ নেত্ৰী মহুৱা মৈত্ৰৰ নগদ ধনৰ বিনিময়ত প্ৰশ্ন সোধাৰ সৈতে জড়িত গোচৰত কলকাতাকে ধৰি বিভিন্ন স্থানত তালাচী চলাই আছে। সূত্ৰসমূহৰ পৰা জানিব পৰা মতে, কলকাতা আৰু অন্যান্য চহৰত থকা মৈত্ৰৰ বাসগৃহৰ চৌহদতো চিবিআইয়ে তালাচী চলাই আছে।

লোকপালৰ নিৰ্দেশত চিবিআইয়ে তৃনমূল কংগ্ৰেছ দলৰ প্ৰাক্তন সাংসদগৰাকীৰ বিৰুদ্ধে এজাহাৰ ৰুজু কৰিছিল আৰু ছমাহৰ ভিতৰত প্ৰতিবেদন দাখিল কৰিবলৈ সংস্থাটোক নিৰ্দেশ দিছে।

সংসদত প্ৰশ্ন কৰাৰ বিনিময়ত এজন ব্যৱসায়ীৰ পৰা উৎকোচ লোৱাৰ অভিযোগত সংসদৰ Ethics পেনেলে তেওঁক অপসাৰণ কৰাৰ পৰামৰ্শ দিয়াৰ পিছত যোৱা বছৰৰ ডিচেম্বৰ মাহত মহুৱা মৈত্ৰক লোকসভাৰ পৰা বহিষ্কাৰ কৰা হৈছিল।

০০০০০০

কেন্দ্ৰীয় মাধ্যমিক শিক্ষা বোৰ্ড চি বি এছ ইয়ে সমগ্ৰ দেশৰ চি বি এছ ই বিদ্যালয়সমূহত কৰা আকস্মিক পৰিদৰ্শনৰ পাছত নকল ছাত্ৰ-ছাত্ৰী উপস্থাপন, অযোগ্য প্ৰাৰ্থী ৰখা আদিৰ ভিত্তিত হোৱা তদন্তৰ অন্তত সমগ্ৰ দেশৰ ২০ খন বিদ্যালয়ক অসংলগ্ন কৰিছে আৰু তিনিখন বিদ্যালয়ৰ গ্ৰেড নিম্নগামী কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। অসংলগ্ন কৰা ২০ খন বিদ্যালয়ৰ তালিকাত গুৱাহাটীৰ ছাই আৰ এন এছ একাডেমী বিদ্যালয়খনো আছে। অসংলগ্ন বিদ্যালয়ৰ এই তালিকাত দিল্লীৰ সৰ্বাধিক ৫ খন বিদ্যালয় আছে। গ্ৰেড নিম্নগামী হোৱা তিনিখন বিদ্যালয়ৰ ভিতৰত অসমৰ বৰপেটাৰ শ্ৰী ৰাম একাডেমীও আছে। যোৱা কালি চি বি এছ ইৰ এক প্ৰেছ বিজ্ঞপ্তি যোগে এই সিদ্ধান্ত গ্ৰহণৰ বিষয়ে সদৰি কৰা কৰে।

০০০০০০

দিল্লীৰ এখন আদালতে সুৰা নীতি গোচৰৰ সংক্ৰান্তত মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালক ২৮ মাৰ্চ পৰ্যন্ত বিধি বলৱৎকাৰী সঞ্চালকালয়ৰ জিম্মালৈ প্ৰেৰণ কৰিছে। বৃহস্পতিবাৰে নিশা গ্ৰেপ্তাৰ কৰা কেজৰিৱালক কালি ৰাউজ এভিনিউ আদালতত হাজিৰ কৰোৱাৰ পাছত বিশেষ চি বি আই ন্যায়াধীশ কাবেৰী বাৱেজাই এই নিৰ্দেশ দিয়ে। আদালতত বিধি বলৱৎকাৰী সঞ্চালকালয়ে কেজৰিৱালক সুৰা নীতি কেলেংকাৰীৰ মূল ষড়যন্ত্ৰকাৰী বুলি উল্লেখ কৰি ১০ দিনৰ জিম্মা বিচাৰে। তদন্তকাৰী সংস্থাটোৱে কয় যে, কেজৰিৱাল বৰ্তমান প্ৰত্যাহাৰ কৰা এই সুৰা নীতি প্ৰস্তুত কৰাত পোনপটীয়াকৈ জড়িত আছিল।

বিধি বলৱৎকাৰী সঞ্চালকালয়ে ন্যায়ালয়লৈ নিয়াৰ সময়ত সাংবাদিকে সোধা এটা প্ৰশ্নৰ উত্তৰত আম আদমী পাৰ্টীৰ আহ্বায়কগৰাকীয়ে কয় যে, তেওঁ কাৰাগাৰৰ পৰাই দেশৰ হকে কাম কৰি যাব। বিধি বলৱৎকাৰী

সঞ্চালকালয়ে বৃহস্পতিবাৰে বিয়লি গ্ৰেপ্তাৰ কৰাৰ সময়ত আম আদমী পাৰ্টীয়ে কৈছিল যে, অৰবিন্দ কেজৰিৱাল দিল্লীৰ মুখ্যমন্ত্ৰী হৈ থাকিব। দলে লগতে বিধি বলৱৎকাৰী সঞ্চালকালয় কেন্দ্ৰত শাসনাধিস্থিত বিজেপিৰ ৰাজনৈতিক আহিলা ৰূপে পৰিগণিত হোৱা বুলি অভিযোগ তোলে।

০০০০০০

ৰাছিয়াৰ মস্কোস্থিত ক্ৰকাছ চিটি হলৰ কনচাৰ্টৰ স্থানত সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণে আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত গৰিহণা লাভ কৰিছে আৰু ৰাষ্ট্ৰসংঘৰ মুৰব্বী আৰু ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদে ন্যায়ৰ আহ্বান জনাইছে।ইছলামিক ষ্টেট খোৰাছান চমুকৈ আইছিছ–কেয়ে কনচাৰ্টৰ স্থানত আক্ৰমণৰ দায়িত্ব স্বীকাৰ কৰিছে। ৰাষ্ট্ৰসংঘৰ সচিব প্ৰধান এণ্টনিঅ' গুটেৰেছে এই আক্ৰমণত শোক প্ৰকাশ কৰি ইয়াক কঠোৰ ভাষাৰে গৰিহণা দিয়ে।মস্কোৰ কনচাৰ্টত সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণক প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গৰিহণা দিছে। আমেৰিকা, ইউৰোপীয় ইউনিয়ন, সংযুক্ত গণৰাজ্য, ফ্ৰান্স, স্পেইন আৰু ইউ এ ইয়েও এই সন্ত্ৰাসবাদী আক্ৰমণত শোক প্ৰকাশ কৰে।

০০০০০০

কাশ্মীৰ উপত্যকাত ২০২৪ চনৰ সমাগত সংসদীয় নিৰ্বাচন সন্দৰ্ভত কুপৱাৰা জিলাৰ ৫টা বিধানসভা খণ্ডৰ বাবে বেলট ইউনিট (বি ইউ এছ), কণ্ট্ৰল ইউনিট (চি ইউ) আৰু VVPATS আবণ্টনৰ বাবে কালি প্ৰথম পৰ্যায়ৰ ৰেণ্ডমাইজেচন অনুষ্ঠিত হয়। কুপৱাৰা জিলা নিৰ্বাচন বিষয়া আয়ুসী চুডানৰ উপস্থিতিত অনুষ্ঠিত হোৱা এই প্ৰক্ৰিয়াত এ আৰ অ', কুপৱাৰাৰ উপ ডি ই অ' আৰু ৰাজনৈতিক দলৰ প্ৰতিনিধিসকল উপস্থিত আছিল। উল্লেখযোগ্য যে আগন্তুক লোকসভা নিৰ্বাচনত জিলাখনৰ ৬ টা বিধানসভা সমষ্টিৰ বাবে মুঠ ৬১১টা ভোটগ্ৰহণ কেন্দ্ৰ আছে।

০০০০০০

আগন্তুক লোকসভা নিৰ্বাচৰ বাবে কাশ্মীৰৰ বান্দীপৰা উপসচিবালয়ত ইলেকট্ৰনিক ভোটিং মেচিন-ই ভি এমৰ ৰেণ্ড'মাইজেচনৰ প্ৰথম পৰ্যায়ৰ এখন সভা অনুষ্ঠিত হয়। জিলা উপ-নিৰ্বাচনী বিষয়া মহম্মদ ৰফীক ভাটৰ উপস্থিতিত অনুষ্ঠিত হোৱা সভাখনত বাণ্ডিপাৰা জিলা নিৰ্বাচনী বিষয়া চাকিল উল ৰেহমান উপস্থিত আছিল। অনুষ্ঠানত ন'ডেল বিষয়া, ই ভি এম মেনজমেণ্ট ১৫ বাণ্ডিপাৰা, এ আৰ অ' ১৪ সেনাবাহিনী উপস্থিত থকাৰ বিপৰীতে এ আৰ অ' ১৬ গুৰেজে ভাৰ্চুৱেল পদ্ধতিৰে ইয়াত যোগদান কৰে। অনুষ্ঠানত শ্ৰী ৰহমানে ৰেণ্ড'মাইজেচন প্ৰক্ৰিয়াৰ বিষয়ে অৱগত কৰে। তেওঁ কয় যে, ই ভি এমৰ ৰেণ্ড'মাইজেচনে যিকোনো ৰাজনৈতিক পক্ষপাতিত্ব ৰোধ কৰাত সহায় কৰিব।

০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি দুখন খেল অনুষ্ঠিত হ'ব। মোহালিত বিয়লি চাৰে ৩ বজাত হ'বলগীয়া প্ৰথমখন খেলত পাঞ্জাব কিংছ দেলহি কেপিটেলছৰ মুখামুখি হোৱাৰ বিপৰীতে কলকাতাত সন্ধিয়া চাৰে ৭ হ'বলগীয়া দ্বিতীয়খন খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদ কলকাতা নাইট ৰাইদাৰ্ছাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ইপিনে চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত কালি অনুষ্ঠিত এখন খেলত চেন্নাই ছুপাৰ কিংছে ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুক ৬ উইকেটত পৰাস্ত কৰে। চেন্নাই ছুপাৰ কিংছে ১৭৪ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি

৮টা বল খেলিবলৈ বাকী থকা অৱস্থাত ৪টা উইকেট হেৰুৱাই ১৭৬ ৰান কৰে। চেন্নাইৰ হৈ ৰচিন ৰবীন্দ্ৰই ১৫টা বলত ৩৭ ৰান কৰে। ইয়াৰ আগেয়ে ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ২০ অভাৰত ৬ উইকেটৰ বিনিময়ত ১৭৩ ৰান সংগ্ৰহ কৰে। বেংগালুৰুৰ হৈ অনুজ ৰাৱটে ২৫টা বলত সৰ্বাধিক ৪৮ ৰানৰ বৰঙণি আগবঢ়ায়। চেন্নাই ছুপাৰ কিংছৰ মুস্তাফিজুৰ ৰহমানে ৪টা উইকেট দখল কৰে। মুস্তাফিজুৰক প্লেয়াৰ আব দ্যা মেচ হিচাপে ঘোষণা কৰা হয়।

০০০০০০

ভাৰতৰ কিদাম্বি শ্ৰীকান্তে ছুইছ অপেন বেডমিণ্টন প্ৰতিযোগিতাত পুৰুষপ ছিংগলছৰ ছেমি ফাইনেলত প্ৰৱেশ কৰিছে। খেলুৱৈগৰাকীয়ে কালি ছুইজাৰলেণ্ডৰ বেছেলত অনুষ্ঠিত কোৱাৰ্টাৰ ফাইনেলত টাইৱানৰ লি চিয়া হাঅ'ক ২১-১০, ২১-১৪ পোনপটীয়া গেমত পৰাভূত কৰে। কিদাম্বি আজি ছেমি ফাইনেলত টাইৱানৰে আন এগৰাকী খেলুৱৈ লিন চুন য়িৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ইপিনে, ভাৰতৰ আন দুগৰাকী খেলুৱৈ প্ৰিয়াংশু ৰাজাৱট আৰু কিৰণ জৰ্জ কালি নিজ নিজ শাখাৰ কোৱাৰ্টাৰ ফাইনেলত পৰাজিত হৈ প্ৰতিযোগিতাৰ পৰা বাহিৰ হয়। প্ৰিয়াংশু টিয়েন চেন চাউৰ হাতত ১৫-২১, ১৯-২১ গেমত পৰাভূত হোৱাৰ বিপৰীতে কিৰণ জৰ্জ ডেনমাৰ্কৰ ৰাছমছ গেম্কেৰ হাতত ২৩-২১, ১৭-২১, ১৫-২১ গেমত পৰাজিত হয়।

০০০০০০

**ঃ সমাপ্ত ঃ**